# সংগ্ৰহালয় আৰু সাংস্কৃতিক ঐতিহ্য: এটি চমু আভাস

**ড° *সংগীতা দত্ত***

অভিলেখক,

অভিলেখ আৰু গৱেষণা কেন্দ্ৰ (এথ্নোমিউজিকোল'জি),

আমেৰিকান ইনষ্টিটিউট অৱ ইণ্ডিয়ান ষ্টাডিজ, গুৰুগ্ৰাম, ভাৰত

sangeetadutta123@gmail.com

## সাৰাংশ

This essay is to understand the significance of cultural heritage elements of society and how those elements get preserved through cultural centres like the museums. A museum also acquires, preserves and disseminates. The various other roles of museums are also discussed and analysed in this essay. Museums can create awareness among the people about their rich cultural heritage which subsequently results in the preservation of the society and the civilisation. Some basic preventive conservation awareness approaches at the individual level have also been taken into account. In other words, preservation of cultural heritage through the museum-like cultural centres, thereby converting such centres to centres for learning and enjoyment is the focus of this essay.

## বীজশব্দ

cultural heritage, museums, conservation awareness, preservation

বহু মিশ্ৰিত উপাদানৰ সমাহাৰ ভাৰতীয় সাংস্কৃতিক ঐতিহ্য। সাংস্কৃতিক ঐতিহ্য মানে আমি সংস্কৃতিৰ সেই উপাদানবোৰক বুজো যিবোৰ আমি আমাৰ পূৰ্বপুৰুষৰ পৰা বংশানুক্ৰমে লাভ কৰি আহিছো। ঐতিহ্য বুলিলে, স্পৰ্শনীয় আৰু তাস্পৰ্শনীয় (tangible আৰু intangible) দুয়োবিধকে সাঙুৰি লোৱা হয়। সাংস্কৃতিক ঐতিহ্য, কলা সংগ্ৰহালয়ৰ দৰে 'সাংস্কৃতিক কেন্দ্ৰবোৰৰ' দ্বাৰা কেনেদৰে ৰক্ষণাবেক্ষণ দিয়া হয়, ইয়াৰ লগতে সংগ্ৰহালয়ৰ বিভিন্ন আন ভূমিকাসমূহো কেনেদৰে সাঙুৰি লোৱা হয়, তাৰেই এটি চমু আভাষ ইয়াত দাঙি ধৰা হৈছে।

সংগ্ৰহালয় বুলিলে সাধাৰণতে মনলৈ আহে পুৰণা, ভগা, ফটা বা অলাগতিয়াল বস্তু সাঁচি ৰখা এবিধ ঘৰ। আমাৰ দৈনন্দিন জীৱনৰ বহু মুহূৰ্তত এনে অলাগতিয়াল বস্তুবোৰ সংগ্ৰহালয়ত থ'ব লাগে বুলি তাচ্ছিল্যও কৰা যায়। কিন্তু, যদি ইতিবাচক দৃষ্টিত লোৱা হয়, সংগ্ৰহালয়ৰ হৈছে এক এনে এটি অনুষ্ঠান য'ত সংস্কৃতিৰ উপাদান সংগ্ৰহীতও থাকে লগতে ৰক্ষণাবেক্ষণো দিয়া হয়, ইয়াৰ দ্বাৰা জ্ঞান অৰ্জনো হয় আৰু মনোৰঞ্জনো পোৱা যায়।[1]

সংগ্ৰহালয়ত বস্তু সংগ্ৰহীত থাকে। ইয়াত যিকোনো বস্তু সংগ্ৰহীত থাকে যদিও সকলোবোৰ নাথাকে। প্ৰত্যেক সংগ্ৰহালয়ে ইয়াৰ সংগ্ৰহৰ ক্ষেত্ৰত থকা নীতি অনুসৰি এক শৃংখলাবদ্ধ পদ্ধতিৰে সংগ্ৰহ কৰে। কেৱল সংগ্ৰহ যাতে জ্ঞান বৰ্দ্ধক তথা তাৎপৰ্য্যপূৰ্ণ হয় আৰু সংগ্ৰহালয়ৰ সংগ্ৰহ আঁচনিৰ সৈতে খাপখোৱা হয় তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগে।

সংগৃহীত সকলো বস্তু সংগ্ৰহালয়ত পুংখানুপুংখভাৱে পৰীক্ষা কৰি তাৰ সৈতে জড়িত সকলো তথ্য একগোট কৰি তথ্য সহকাৰে প্ৰতিপাদন (documentation) কৰা হয়। ইয়াৰ দ্বাৰা যিকোনো বস্তুৰ বিষয়ে সঠিক তথ্য প্ৰদান কৰা নাইবা আৰু অধিক অনুসন্ধান কৰা নাইবা বস্তুৰ সুৰক্ষাৰ সহায়ক হয়।

এক সংগঠিত documentationৰ পিছত সংগ্ৰহালয়ত সংগৃহীত সকলো বস্তুৰ পুংখানুপুংখভাৱে পৰীক্ষা কৰা হয়। এই পৰীক্ষা প্ৰয়োজন অনুসাৰে কেমিকেল নাইবা আন আহিলা-পাতিৰ দ্বাৰাও কৰা

[1] "A museum is a non-profit, permanent institution in the service of society and its development, open to the public, which acquires, conserves, researches, communicates and exhibits the tangible and intangible heritage of humanity and its environment for the purposes of education, study and enjoyment." (ICOM Statutes, 2007) Source: https://icom.museum/en/faq/what-is-icoms-definition-of-a-museum/

হয়, যাতে ইয়াৰ দ্বাৰা সেই সংগ্ৰহ বহু যুগ ধৰি ভালে থাকে আৰু সংৰক্ষিত হৈ থাকিব পাৰে।

সংগ্ৰহালয়ৰ সংগ্ৰহীত বস্তুবোৰ দৰ্শকৰ বাবে মুকলি কৰি নিদিলে, তাৰ লগত নিহিত হৈ থকা সকলো জ্ঞান লুপ্ত হৈ থাকে। সেয়েহে, সংগ্ৰহালয়ত বস্তুবোৰ ৰাজহুৱাভাৱে প্ৰদৰ্শিত হয় যাতে সকলোৱে তাৰ পৰা জ্ঞান আহৰণ কৰি উপকৃত হ'ব পাৰে।

এই ভূমিকাৰ বাবেই সংগ্ৰহালয়ক এক informal অৰ্থাৎ অনানুষ্ঠানিক শিক্ষানুষ্ঠান বুলি কোৱা হয়। Informal এই কাৰণেই যে ইয়াত কোনো পাঠ্যক্ৰমৰ দ্বাৰা শিক্ষা দিয়া নহয়। সংগ্ৰহালয় ৰাজহুৱা শিক্ষাৰ কেন্দ্ৰ, ইয়ালৈ যিকোনো বয়সৰ, সমাজৰ যিকোনো স্তৰৰ লোক আহিব পাৰে আৰু তেওঁলোকৰ সুবিধা অনুযায়ী, মনোৰঞ্জনৰ দ্বাৰা জ্ঞান আহৰণ কৰিব পাৰে। কিয়নো, সভ্যতাৰ যিকোনো কালৰ সৈতে জড়িত কোনো পাৰ্থিৱ অৱশেষ (material evidence) লিৰিকি-বিদাৰি ৰং-বিৰঙৰ ছবিৰ সহায়েৰে কিবা এটা শিকিবলৈ পালে মনটো উৎসাহিত হয় তথা অধিক জনাৰো হেঁপাহ জাগে।

কিন্তু এই সকলোবোৰৰ লগতে আন এটা দিশো মন কৰিবলগীয়া। যিবোৰ গতানুগতিক সংগ্ৰহালয় চলি আহিছে, সেইবোৰ শিক্ষিত লোকৰ কাৰণেহে। এজন অশিক্ষিত দৰ্শকে সংগ্ৰহালয়লৈ গৈ এটা বস্তু দেখি আনন্দ পাব পাৰে, নাইবা সেই বস্তুটোৰ বিষয়ে যদি কিবা audio-video থাকে, তাকে শুনি বা দেখি কিবা এটা বুজি পাব পাৰে, কিন্তু বস্তুটোৰ সৈতে যদি কিবা অতিৰিক্ত জ্ঞানবৰ্ধক তথ্য পোৱাৰ সুবিধা থাকে, তেনেহ'লে সেইবোৰৰ পৰা লিখা-পঢ়া নজনা মানুহজন বঞ্চিত হয়। আকৌ, আমাৰ দেশৰ দৰে এখন দেশৰ, যাৰ প্ৰায় আধা শতাংশ লোকেই দুবেলা দুমুঠি যোগাৰতেই ব্যস্ত থাকিব লাগে তেনে লোকে সংগ্ৰহালয় চাবলৈ কেনেকৈনো আহৰি পাব নাইবা মনোযোগ দিব। গতিকে এই সকলোবোৰ দিশ সাঙুৰি লৈ eco-museum নামৰ এক নতুন মিউজিয়াৰ বিকাশ কৰা হৈছে। এই ধৰণৰ সংগ্ৰহালয়ৰ সূত্ৰত কোৱা হয় যে এক আছুতীয়া সংগ্ৰহালয় গৃহ তৈয়াৰ নকৰি, জনজাতীয় এলেকাতে, জনসাধাৰণৰ বাবেই সংগ্ৰহালয় গঢ়ি তুলিব পাৰে। ইয়াত কেৱল দৰকাৰ হয় জনসাধাৰণৰ সমৰ্থন, সঁহাৰি আৰু উৎসুকতা। ইয়াৰ দ্বাৰা জনসাধাৰণে নিজৰ ঐতিহ্যৰ প্ৰতি সতৰ্ক হ'ব আৰু তাৰ সংৰক্ষণৰ বাবে নিজৰ ফালৰ পৰাই আগ্ৰহীও হ'ব। বৰ্তমান এই নীতিৰে বহুতো সংগ্ৰহালয় বিশ্বৰ

বিভিন্ন কোণত গঢ় লৈ উঠিছে আৰু তাৰ দ্বাৰা অনেক সম্প্ৰদায়ৰ অনেক পাহৰি যোৱা নাইবা বিলুপ্তিৰ পথত থকা ঐতিহ্যৰ সঠিক সংৰক্ষণ কৰা হৈছে, যাতে নতুন প্ৰজন্ম তাৰ দ্বাৰা উপকৃত তথা গৰ্বিত হ'ব পাৰে।[2]

সেয়েহে, সংগ্ৰহালয় আজিৰ প্ৰজন্মৰ বাবে এক আপুৰুগীয়া সংগ্ৰহৰ থলী। আমাৰ দেশৰ বাৰেবৰণীয়া সংস্কৃতি, জনগোষ্ঠী আৰু ৫০০০ বছৰতকৈ অধিক পুৰণি সভ্যতা আৰু ঐতিহ্য এই সকলোবোৰ একতাৰ ডোলেৰে বান্ধ খাই আছে, যাৰ বাবে আমি সদায় গৰ্ব কৰোঁ যদিও বিভিন্ন বহিৰাগত উৎসই যেন এই বান্ধ শিথিল কৰিবৰ বাবে অহৰহ চেষ্টা চলাই আছে। আমাৰ বিশাল সাংস্কৃতিক ঐতিহ্য, পৰম্পৰা আৰু ইয়াৰ পাৰ্থিৱ অৱশেষ (material evidence) – এই সকলোবোৰ আমাৰ জাতিৰ পৰিচয়। এটা জাতিৰ ঐতিহ্য তথা যুগ যুগ ধৰি মুখে মুখে চলি অহা পৰম্পৰা সংগ্ৰহালয়তে সংৰক্ষিত থাকে। গতিকে সংগ্ৰহালয় হৈছে এনে এটা উৎস যি পূৰ্বৰ পৰা চলি অহা পৰম্পৰাক পৰৱৰ্তী প্ৰজন্মলৈ সংৰক্ষিত কৰি ৰাখে। আমাৰ দেশত সংগ্ৰহালয় ইমান জনপ্ৰিয় হৈ উঠা নাই, কিন্তু লাহে লাহে সকলো স্তৰৰ লোকৰ মনোভাব সলনি হোৱা পৰিলক্ষিত হৈছে। সংগ্ৰহালয়ক আজিকালি পুৰণা বস্তুৰ ভঁৰাল বুলি নাভাবি ইয়াক এক কলাক্ষেত্ৰ হিচাপে গ্ৰহণ কৰা হৈছে। কলা-সংস্কৃতিৰ সৰ্বাত্মক চৰ্চা, প্ৰচাৰ তথা সংৰক্ষণ সকলোবোৰ সংগ্ৰহালয়তে সম্ভৱ। সেয়েহে, আমি যদি উত্তৰ-পূৰ্বাঞ্চলৰ উদাহৰণকে লওঁ তেন্তে দেখিবলৈ পোৱা যায় যে, এই অঞ্চলৰ বহুতো প্ৰচাৰ নোপোৱা নৃত্য-গীত পুনৰ প্ৰাণ পাই উঠিছে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সৌজন্যত। কলাক্ষেত্ৰত থকা সংগ্ৰহালয়টোত বহুতো জাতি-জনজাতিৰ আহিলা-পাতি প্ৰদৰ্শিত হৈ আছে। তাৰে বহুতো সংগীত-বাদ্যযন্ত্ৰ নাম নুশুনাকৈ, নজনাকৈয়ে আছিল। কিন্তু অনুসন্ধিৎসু মনে বিচাৰ কৰি পালে যে এনে বহুতো বাদ্যযন্ত্ৰ পৰম্পৰাগত নৃত্য-গীতত ব্যৱহৃত হৈছিল আৰু কালক্ৰমত সেইবোৰৰ ব্যৱহাৰ লুপ্ত পালে। সেয়েহে, তেনে জনজাতিৰ লোকসকলক উৎসাহিত কৰিবলৈ তেনে নৃত্য-গীতৰ পুনৰ প্ৰচলন আৰম্ভ হ'ল। সেয়েহে, সংগ্ৰহালয়টো অনুপ্ৰেৰণাৰ থল হৈ উঠিল।

এইখিনিতে আৰু এটা কথা উনুকিয়াব পাৰি। আমাৰ বহুতো ব্যক্তিগত সংগৃহীত বস্তু থাকে। মানুহে

2 https://www.academia.edu/37915043/Ecomuseum_in_Northeast_India_Exploring_its_Concept_and_Relevance_to_Doul_Govinda_Assam

নিজৰ ৰুচি, ইচ্ছা অনুযায়ী নাইবা বিশেষ কাৰণত সংগ্ৰহ কৰে। আকৌ, আমি বহুতে আমাৰ পূৰ্বপুৰুষৰ পৰাও দুই-এপদ বস্তু লাভ কৰোঁ। যাক আমি ব্যক্তিগত ঐতিহ্য সংগ্ৰহ বুলি কওঁ। এই ধৰণে সংগ্ৰহ কৰা বহুতো ঐতিহ্যৰ উপাদান আমাৰ মাজত বিচাৰি পোৱা যাব, যিবোৰ হয়তো, আমি নজনাকৈয়ে দৰাচলতে আপুৰুগীয়া। এইধৰণৰ ব্যক্তিগত সংগ্ৰহৰ গুৰুত্ব নাইবা উচিত মূল্যাংকন নাইবা উচিত সংৰক্ষণৰ বাবে প্ৰত্যেক ৰাজ্যৰ ৰাজ্যিক সংগ্ৰহালয়ৰ উপৰি জিলাভিত্তিক আৰু আঞ্চলিক সংগ্ৰহালয় থাকে। একেদৰে পুৰাতত্ত্ব বিভাগো থাকে আৰু যিবোৰ বস্তু এশ বছৰ নাইবা কিছুমান ক্ষেত্ৰত 75 বছৰতকৈ পুৰণা হয়, যাক আমি প্ৰাচীন সম্পদ (antiquity) বোলো তেনে বস্তুৰো পুৰাতত্ত্ব বিভাগে সংৰক্ষণ কৰে। গতিকে আমাৰ ব্যক্তিগত নাইবা আমি জনাত যদি কাৰোবাৰ গুৰুত্বপূৰ্ণ সংগ্ৰহ থাকে, তেনেহ'লে সদায় সংশ্লিষ্ট বিভাগৰ লগত যোগাযোগ কৰি তাৰ উচিত সংৰক্ষণৰ দিহা কৰিব লাগে আৰু আনকো তেনে কৰিবলৈ পৰামৰ্শ দিব লাগে।

আনহাতে, কেতিয়াবা আমাৰ ব্যক্তিগত ঐতিহ্যৰ সংগ্ৰহ, বিশেষকৈ পূৰ্বপুৰুষৰ পৰা পোৱা বস্তুবোৰ সংগ্ৰহালয়ত নিদি ঘৰুৱাভাৱে ৰাখিব খুজিলেও, তাৰ সঠিক সংৰক্ষণ কৰিব নজনাৰ ফলত ঐতিহ্যৰ একোটা বিৰাট অংশ হেৰাই যোৱাও শুনিবলৈ পোৱা যায়। এনে অৱস্থাত, এটা পৰিয়ালৰ অন্ততঃ এজন সদস্যয়ো যদি, সংগ্ৰহালয় বিভাগে সময়ে সময়ে আয়োজন কৰা কোনো সৰু-সুৰা প্ৰশিক্ষণ গ্ৰহণ কৰে, তেনেহ'লে নিজৰ পূৰ্বপুৰুষৰ পৰা লাভ কৰা ঐতিহ্যক সঠিক ৰক্ষণাবেক্ষণ দিবলৈ সমৰ্থ হ'ব। ইয়াৰ উপৰি, ঘৰুৱা ইটো-সিটো সহজলভ্য উপায়ো বহুত উপযোগী হয়। উদাহৰণস্বৰূপে, ঘৰত যদি পুৰণা সাঁচিপাতৰ পুথি আছে, তেনেহ'লে তাক চৌকাৰ ওপৰত চাং পাতি (পূৰ্বৰ ধোঁৱা চাং) ৰঙা কাপোৰেৰে মেৰিয়াই থ'লে পোক-পৰুৱাই হানি কৰিব নোৱাৰে আৰু আমাৰ অসমৰ দৰে সেমেকা জলবায়ুত ভেঁকুৰ উঠিব নোৱাৰে। তেনেদৰে পুৰণি পুথিৰ লগত নিমপাত শুকুৱাই ভৰাই থ'লে পোকে খাব নোৱাৰে। হালধি, লং-তেল আদি হ'ল আন কেতেবাৰ উপকাৰী সামগ্ৰী। মিশ্ৰিত সংগ্ৰহ যেনে – চামৰা, কাপোৰ, কাগজ, শিলৰ মূৰ্তি, বাঁহ-বেতৰ বস্তু, কাঁহ-পিতলৰ বস্তু ইত্যাদি কেতিয়াও একেলগে ৰাখিব নালাগে। এনে বস্তু ইটোৰ পৰা সিটোৰ অপকাৰ হ'ব পাৰে। ঐতিহ্যৰ সংগ্ৰহ যিয়েই নহওক কিয়, ব্যক্তিগত ঐতিহ্যৰ গুৰুত্ব, তাৰ পৰা আহৰণ কৰিব পৰা জ্ঞান আৰু তেনে ঐতিহ্যক সঠিকভাৱে সংৰক্ষিত ৰখাটোহে আমাৰ দায়িত্ব আৰু কৰ্তব্য। সংগ্ৰহালয় আমাৰ ঐতিহ্যৰ দায়িত্ব ল'বলৈ পৃথকৈ গঢ়ি উঠা কোনো

সংস্থা নহয়। বৰঞ্চ, সাংস্কৃতিক ঐতিহ্যৰ ৰক্ষণাবেক্ষণৰ আমাৰ যি দায়িত্ববোধ, তাৰেই ভিত্তিত গঢ়ি উঠা ই এটা সাংস্কৃতিক কেন্দ্ৰহে মাথোঁ। অসমৰ দুৰ্লভ বৰাৰ ‘উত্তৰণ’, ওম প্ৰকাশ গাট্টানিৰ ‘মুদ্ৰা সংগ্ৰহ’, মোহিনী ৰাজকুমাৰীৰ ‘পৌৰাণিক সম্পদৰ ব্যক্তিগত ক্ষুদ্ৰ সংগ্ৰহালয়’ আদি আমাৰ সমাজৰ ঐতিহ্যৰ ৰক্ষণাবেক্ষণৰ সামাজিক দায়িত্ববোধৰ প্ৰতিফলন।

সামৰণিত ক’ব পাৰি যে, সংগ্ৰহালয় আৰু সাংস্কৃতিক ঐতিহ্য ওতঃপ্ৰোতভাৱে জড়িত। সংগ্ৰহালয় এতিয়া আগৰ দৰে অলাগতীয়াল বস্তুৰ ভাণ্ডাৰ নহয়। সংগ্ৰহালয়ৰ দ্বাৰা এতিয়া ঐতিহ্যৰ উপাদানৰ সৈতে জড়িত সামাজিক, সাংস্কৃতিক আন সকলো অস্পৰ্শনীয় দিশো সাঙুৰি লোৱা হয়। ইয়াৰ দ্বাৰা ঐতিহ্যৰ ৰক্ষণাবেক্ষণৰ লগতে, সংগ্ৰহালয়, ঐতিহ্যৰ এক কলাভূমি হৈ পৰে। কলাভূমিত মনোৰঞ্জনৰ দ্বাৰা জ্ঞান আহৰণো কৰিব পাৰি। সংগ্ৰহালয় সেয়েহে হৈ পৰে ঐতিহ্য সংৰক্ষিত এক ‘সাংস্কৃতিক কেন্দ্ৰ’।